**<u>প্ৰতিবেদনযোগ্য</u>**

## ভাৰতৰ উচ্চতম ন্যায়ালয়

## ফৌজদাৰী আপীলীয় ক্ষেত্ৰাধিকাৰ

## ফৌজদাৰী আপীল নং ২৯৯- ২০০৩

মঞ্জু ৰাম কলিতা ............ আবেদনকাৰী

বনাম

অসম ৰাজ্য ............. উত্তৰদাতা

## ৰায়

ন্যায়াধীশ ড. বি. এছ. চৌহান,

১. ক্রিমিনেল ৰিভিজন (পি) (ফৌজদাৰী সংশোধনী আবেদন) নং ৫৭৮-ত গৌহাটী উচ্চ ন্যায়ালয়ৰ ২১ডিচেম্বৰ, ২০০১-ৰ ৰায় আৰু আদেশৰ বিৰুদ্ধে এই আপীলৰ অগ্ৰাধিকাৰ দিয়া হৈছে, যাৰ দ্বাৰা উচ্চ ন্যায়ালয়ে বিচাৰ আদালতৰ গোচৰ নং জি. আৰ. ১৯৫৭/ ১৯৯৭-ত গৌহাটীস্থিত কামৰূপৰ অতিৰিক্ত মুখ্য ন্যায়িক ন্যায়াধীশৰ ২২-১২-১৯৯৯-ৰ নথিভুক্ত কৰা তথ্যৰ ফলাফলৰ সৈতে একমত আছিল; আৰু আপীলীয় আদালতৰ সত্ৰ ন্যায়াধীশ, কামৰূপে ফৌজদাৰী আপীল নং ৩/ ২০০০-ত ১৩-১০-২০০০তাৰিখত ৰায় প্ৰদান কৰিছিল যে, আপীলকাৰীজন ধাৰা ৪৯৪ আৰু ৪৯৮এ, ভাৰতীয় দণ্ডবিধি (সংক্ষেপে "IPC")ৰ অধীনত অপৰাধ সংঘটিত কৰাৰ দোষী আছিল আৰু তেওঁক IPC-ৰ ধাৰা ৪৯৮এ-ৰ অধীনত ২ বছৰৰ বাবে আৰু ধাৰা ৪৯৪-ৰ অধীনত ৩ বছৰৰ বাবে সশ্ৰম কাৰাদণ্ডৰ প্ৰদান কৰিছিল। অৱশ্যে, দুয়োটা শাস্তি একেলগে চলোৱাৰ নিৰ্দেশ দিয়া হৈছে।

২. এই আপীল আবেদনৰ তথ্য আৰু পৰিস্থিতি এইয়ে যে, আপীলকাৰীজন এজন চৰকাৰী কৰ্মচাৰী, আৰু তেওঁ অভিযোগকাৰী-শ্ৰীমতী মিনতি দাস (কলিতা)ৰ সৈতে ০৫-০২-১৯৯২-ত হিন্দু ৰীতি-নীতি অনুসৰি বিবাহপাশত আবদ্ধ হৈছিল। ১০-০৩-১৯৯৩-ত শ্ৰীমতী মিনতি দাসে (কলিতা) এটা পুত্ৰ সন্তানৰ জন্ম দিছিল। অৱশ্যে, স্বামী আৰু পত্নীৰ মাজৰ সম্পৰ্ক সৌহাৰ্দ্যপূৰ্ণ নাছিল কিয়নো পত্নীয়ে অভিযোগ কৰিছিল যে, আপীলকাৰীয়ে তেওঁক মানসিক আৰু শাৰীৰিকভাৱে অত্যাচাৰ কৰিছিল। তেওঁ স্বামীৰ ঘৰটো এৰি দেউতাকৰ সৈতে থাকিবলৈ আৰম্ভ কৰে আৰু ১৯৯৩চনৰ পৰা তাতে বসবাস কৰি আছিল। ১৯৯৭চনত মহিলাগৰাকীয়ে জানিব পাৰিলে যে, আপীলকাৰীয়ে ০২-০২-১৯৯৭-তাৰিখে টুকেশ্বৰী মন্দিৰত ৰঞ্জু শৰ্মা নামৰ এজনৰ সৈতে বিবাহপাশত আবদ্ধ হৈছিল। সেয়েহে, তেওঁ আপীলকাৰীৰ বিৰুদ্ধে FIR দাখিল কৰে।

৩. আপীলকাৰীক গুৱাহাটীস্থিত মুখ্য ন্যায়িক ন্যায়াধীশৰ দ্বাৰা IPC-ৰ ৪৯৮এ/ ৪৯৪ধাৰাৰ অধীনত অভিযুক্ত কৰা হৈছিল। আপীলকাৰীয়ে বিচাৰ আদালতৰ আগত সকলো অভিযোগ অস্বীকাৰ কৰি নিজকে ৰক্ষা কৰিছিল। অৱশ্যে, নথিত থকা প্ৰমাণসমূহ বিবেচনা কৰি, বিচাৰ আদালতে দুয়োটা অভিযোগ আপীলকাৰীৰ বিৰুদ্ধে beyond reasonable doubt(যুক্তিসঙ্গত সন্দেহ)ৰ বাহিৰত প্ৰমাণিত হোৱা বুলি ৰায় দিয়ে আৰু তেওঁক দোষী সাব্যস্ত কৰাৰ পিছত, উক্ত অপৰাধসমূহৰ বাবে ইয়াত উল্লেখ কৰা অনুসৰি শাস্তি প্ৰদান কৰিছিল, ২২-১২-১৯৯৯ তাৰিখৰ ৰায়দান আৰু নিৰ্দেশৰ জৰিয়তে। (সংযুক্তি পি- ১২)

৪. ক্ষতিৰ সন্মুখীনহৈ আপীলকাৰীয়ে ২০০০চনৰ আপীল নং ৩-ৰ আপীলআবেদন কৰে, যি আপীল আদালতে ১৩-১০-২০০০তাৰিখৰ ৰায় আৰু আদেশৰ জৰিয়তে নাকচ কৰিছিল। (সংযুক্তি পি-১৩)

৫. আপীলকাৰীয়ে ২০০০চনৰ ক্ৰিমিনেল ৰিভিজন (পি) নং ৫৭৮ দাখিল কৰি গৌহাটী উচ্চ ন্যায়ালয়ৰ কাষ চাপিছিল, যি ২০০১চনৰ ২১ডিচেম্বৰৰ বিচাৰাধীন ৰায় আৰু আদেশৰ দ্বাৰা নাকচ কৰা হৈছিল। সেয়েহে, এই আপীল আবেদন।

৬. আপীলকাৰীৰ হৈ হাজিৰ হোৱা বিদ্বান পৰামৰ্শদাতা এছ. কে. ভট্টাচাৰ্যই আপীলকাৰীয়ে অন্যান্য বিষয়ৰ লগতে নিম্ন আদালতত উত্থাপন কৰা সকলো যুক্তিৰ উল্লেখ কৰিছে যে, শ্ৰীমতী ৰঞ্জু শৰ্মাৰ সৈতে কোনো বৈধ বিবাহ হোৱা নাছিল। যিহেতু, বিয়াখন এজন হিন্দু দেৱতাক সাক্ষী কৰি হৈছিল আৰু IPC-ৰ ধাৰা ৪৯৮এ-ৰ অধীনত অভিযোগ উত্থাপন কৰিবলৈ মানসিক বা শাৰীৰিক অত্যাচাৰৰ কোনো ঘটনা সংঘটিত হোৱা নাছিল। সেয়েহে, আপীলটো অনুমতি দিয়াৰ বাবে যোগ্য আছিল।

৭. ইয়াৰ বিপৰীতে, উত্তৰদাতা- ৰাজ্যৰ হৈ হাজিৰ হোৱা বিদ্বান অধিবক্তা শ্ৰী ৰিকু শৰ্মাই দাখিল কৰিছিল যে, শ্ৰীমতী ৰঞ্জু শৰ্মাৰ বিষয়ত আপীলকাৰীৰ বিবাহৰ বিষয়টোৰ ক্ষেত্ৰত তিনিখন নিম্ন আদালতৰ দ্বাৰা একেধৰণৰ তথ্যৰ ফলাফল পোৱা গৈছে। এই বিষয়টো বিবেচনা কৰা চতুৰ্থখন আদালত হোৱাৰ পৰিপ্ৰেক্ষিতত এই আদালতে এনেদৰে নথিভুক্ত কৰা ফলাফলসমূহত হস্তক্ষেপ কৰা উচিত নহয়। এতিয়ালৈকে ধাৰা ৪৯৮এ-ৰ ব্যৱস্থাসমূহৰ বিষয়ত, আপীলকাৰীয়ে অভিযোগকাৰীক (আইনীভাৱে বিবাহিত পত্নী) শাৰীৰিক আৰু মানসিক নিৰ্যাতন আৰু যন্ত্ৰণাৰ সন্মুখীন কৰিছিল বুলি দাখিল কৰা হৈছে। এইদৰে তিনিওখন আদালতে

তেওঁৰ বিৰুদ্ধে উত্থাপিত অভিযোগসমূহ সঠিকভাৱে প্ৰমাণিত কৰিছে। সেয়েহে, এই আদালতত এই বিষয়ত হস্তক্ষেপ কৰাৰ কোনো থল নাই। আপীলআবেদনখন নাকচ কৰিবলগীয়া।

৮. আমি পক্ষসমূহৰ পৰা বিদ্বান পৰামৰ্শদাতাৰ দ্বাৰা কৰা পৰিপন্থী উপস্থাপনসমূহ বিবেচনা কৰিছো আৰু নথি পৰ্যবেক্ষণ কৰিছোহঁক।

৯. এতিয়ালৈকে issue (বিতৰ্ক বিষয়) নং ১ অৰ্থাৎ আপীলকাৰীয়ে শ্ৰীমতী ৰঞ্জু শৰ্মাৰ সৈতে বিবাহপাশত আবদ্ধ হৈছিল নে নাই এই সম্পৰ্কত- এক প্ৰকৃততে question of fact (তথ্যৰ প্ৰশ্ন)। তিনিওখন নিম্ন আদালতে বিবাহৰ তথ্য আৰু ইয়াৰ বৈধতা সম্পৰ্কে একে সিদ্ধান্ত গ্ৰহণ কৰিছে, আৰু বিয়াখন বৈধ বুলি গণ্য কৰা হৈছে।

১০. এইটো নিষ্পত্তি হোৱা আইনী প্ৰস্তাৱ যে, যদি নিম্ন আদালতে তথ্যৰ ফলাফল লিপিবদ্ধ কৰে, তেন্তে তৃতীয় আদালতৰ দ্বাৰা প্ৰমাণৰ পুনৰ বিবেচনাৰ প্ৰশ্ন উত্থাপন নহয়, যেতিয়ালৈকে ই সম্পূৰ্ণকৈ ন্যায়বিৰোধী নহয়। উচ্চ ন্যায়ালয় নিয়মীয়া আপীল আদালত হিচাপে নাথাকে। ইয়াৰ কাম হৈছে- আইন সঠিকভাৱে পৰিচালনা কৰাটো নিশ্চিত কৰা। এনে এখন আদালতে প্ৰমাণৰ পুনৰ বিবেচনা কৰি বিতৰ্ক বিষয় নিৰ্ণয় কৰাৰ অপ্ৰয়োজনীয় কাম কৰি যাব নোৱাৰে। এই আদালতে সাধাৰণতে তথ্যৰ বিশুদ্ধ প্ৰশ্নবোৰৰ সমৱৰ্তী ফলাফলবোৰত হস্তক্ষেপ নকৰে আৰু প্ৰমাণবোৰ পুনৰ পৰ্যালোচনা নকৰে যদিহে, স্বাভাৱিক নিয়মৰ পৰা বিচ্যুত হোৱাত ন্যায্যতা প্ৰদান কৰা ব্যতিক্ৰমী পৰিস্থিতি নাথাকে। যদি অনুমানটো স্বীকাৰ কৰা আৰু প্ৰমাণিত তথ্যৰ ভিত্তি কোনো এক আইন হয় বা য'ত কোনো আইন বা প্ৰক্ৰিয়াৰ নিয়ম উলংঘন কৰাৰ ফলত তথ্যৰ অনুসন্ধানত বস্তুগতভাৱে প্ৰভাৱ পৰে, তেন্তে পৰিস্থিতি নিঃসন্দেহে বেলেগ হ'ব পাৰে।

(vide *ফাৰ্ম শ্ৰীনিবাস ৰাম কুমাৰ* বনাম *মহাবীৰ প্ৰসাদ আৰু অন্যান্য;* এ. আই. আৰ. ১৯৫১ এছ. চি. ১৭৭; *মেচাৰ্চ তুলসী দাস খিমজী* বনাম *দ্য ৱৰ্কমেন,* এ. আই. আৰ. ১৯৬৩ এছ. চি. ১০০৭; আৰু *পেন্টাকোটা সত্যনাৰায়ণ আৰু অন্যান্য* বনাম *পেন্টাকোটা সীতাৰত্নম আৰু অন্যান্য,* এ. আই. আৰ. ২০০৫ এছ. চি. ৪৩৬২)।

১১. য'ত নিম্ন আদালতে বস্তুগত তথ্যসমূহ বিবেচনা কৰিছিল আৰু কোনো inadmissible evidence(অগ্ৰহণযোগ্য প্ৰমাণ) আদি বিবেচনা কৰা নাছিল, আদালতৰ দ্বাৰা তৃতীয়বাৰলৈ হস্তক্ষেপৰ প্ৰয়োজনীয়তা নাই। (vide *মাধৱন নায়াৰ*বনাম *ভাস্কৰ পিল্লাই,* (২০০৫) ১০ এছ.চি.চি. ৫৫৩)

১২. সেয়েহে, ওপৰৰ আলোচনাৰ পৰা এইকথা স্পষ্ট যে, চতুৰ্থ আদালত হোৱাৰ বাবে এই আদালতে নিম্ন আদালতসমূহৰ বিবেচনাত হস্তক্ষেপ কৰা উচিত নহয় কিয়নো, উক্ত আদালতসমূহে প্ৰাসংগিক সামগ্ৰীসমূহক উপযুক্ত গুৰুত্ব দি আৰু কোনো অপ্ৰাসংগিক সামগ্ৰীৰ দ্বাৰা প্ৰভাৱিত নোহোৱাকৈ সৎ মনোভাৱেৰে নিজৰ বিবেচনা প্ৰয়োগ কৰিছে। যদিও question of fact (তথ্যৰ প্ৰশ্ন)ত দুটা মতামত সম্ভৱ, আমি, চতুৰ্থ আদালত হিচাপে, হস্তক্ষেপ কৰা উচিত নহয়, অৱশ্যে গোচৰটো আৰম্ভণিতে আমাৰ সন্মুখত উত্থাপিত হ'লে বেলেগ ধৰণে বিচক্ষণতা প্ৰয়োগ কৰিব পাৰিলোঁহেতেন।

১৩. ওপৰৰ দৃষ্টিভংগী অনুসৰি, আমি বহুবিবাহৰ বিষয়টোৰ তদনুৰূপ তথ্য বিচাৰি পোৱাত হস্তক্ষেপ কৰিবলৈ ইচ্ছুক নহয় বা এই ক্ষেত্ৰত প্ৰয়োজনীয় শাস্তিৰ পৰিমাণতো হস্তক্ষেপ কৰিবলৈ ইচ্ছুক নহয়।

১৪. Issue(বিতৰ্ক বিষয়) নং ২, IPCৰ ধাৰা ৪৯৮এ প্ৰয়োগৰ সৈতে সম্পৰ্কিত। যিহেতু, অভিযোগকাৰীয়ে অভিযোগ কৰিছে যে,

আপীলকাৰীয়ে তেওঁক শাৰীৰিক আৰু মানসিক নিৰ্যাতন কৰিছিল আৰু ১৯৯৩চনৰ পিছত মহিলাগৰাকীৰ ক্ষেত্ৰত আপীলকাৰীৰ সৈতে বসবাস কৰাটো সম্ভৱ নাছিল। সেই সময়ত তেওঁৰ সাত মাহৰ গৰ্ভধাৰণ আছিল। তেওঁ চিকিৎসালয়ত এটা পুত্ৰ সন্তানৰ জন্ম দিছিল। আপীলকাৰী আনকি শিশুটি চাবলৈও অহা নাছিল। সেয়ে, অভিযোগকাৰীয়ে ১৯৯৩চনত স্বামীৰ ঘৰ এৰি পিতৃৰ সৈতে থাকিবলৈ আৰম্ভ কৰা তথ্য আৰু পৰিস্থিতিত, ১৯৯৭চনত IPC-ৰ ধাৰা ৪৯৮ এ-ৰ অধীনত আপীলকাৰীৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিব পাৰি নেকি বুলি প্ৰশ্ন উত্থাপন হ'ব।

১৫. IPC-ৰ ধাৰা ৪৯৮ এ-ৰ ব্যৱস্থাসমূহ তলত উল্লেখ কৰা হৈছেঃ

*"৪৯৮ এ. এগৰাকী মহিলাৰ স্বামী বা স্বামীৰ আত্মীয়ৰ দ্বাৰা নিষ্ঠুৰতাৰ বলি। - যি ব্যক্তি এগৰাকী মহিলাৰ স্বামী বা স্বামীৰ আত্মীয় হয়, তেওঁ এনে মহিলাক নিষ্ঠুৰতাৰ বলি কৰে, তেওঁক অতি বেছি তিনি বছৰলৈকে বৃদ্ধি হ'ব পৰা কাৰাদণ্ডৰে দণ্ডিত কৰা হ'ব আৰু জৰিমনাও ভৰিব লাগিব।*

*ব্যাখ্যা- এই ধাৰাৰ উদ্দেশ্যত 'নিষ্ঠুৰতা'ৰ অৰ্থ হ'ল-*

*(এ) মহিলাজনক আত্মহত্যা কৰিবলৈ বাধ্য কৰা বা মহিলাগৰাকীৰ জীৱন, অংগ বা স্বাস্থ্যৰ (মানসিক বা শাৰীৰিক) গুৰুতৰ আঘাত বা বিপদৰ সৃষ্টি কৰাৰ সম্ভাৱনা থকা প্ৰকৃতিৰ যিকোনো ইচ্ছাকৃত আচৰণ;*

*(বি) মহিলাগৰাকীক কৰা উৎপীড়ন য'ত, এনে উৎপীড়নে কোনো সম্পত্তি বা মূল্যৱান নিৰাপত্তাৰ বাবে বেআইনী দাবী পূৰণ কৰিবলৈ তেওঁৰ সৈতে সম্পৰ্কিত কোনো ব্যক্তিৰ ওচৰত বলপূৰ্বক চাপ প্ৰয়োগ কৰাৰ উদ্দেশ্যে কৰা হাৰাশাস্তি অথবা তেওঁৰ বা তেওঁৰ সৈতে সম্পৰ্কিত কোনো ব্যক্তিয়ে এনে দাবী পূৰণ কৰাত ব্যৰ্থ হোৱাৰ বাবে কৰা অত্যাচাৰ।"*

এই ধাৰাত সংযোজিত বাখ্যাই নিজেই নিষ্ঠুৰতাৰ বৰ্ণনা কৰে। ধাৰা ৪৯৮ এ IPC-ৰ মৌলিক উপাদানসমূহ হ'ল- নিষ্ঠুৰতা আৰু উৎপীড়ন। বৰ্তমান ক্ষেত্ৰত, যিহেতু যৌতুক দাবীৰ অভিযোগ নাই, আমি ব্যাখ্যাৰ

দফা(বি)ৰ সৈতে জড়িত নহয়৷ দফা(এ)ৰ সন্দৰ্ভত এতিয়ালৈকে নিষ্ঠুৰতাৰ উপাদানসমূহক তলত দিয়া ধৰণে শ্ৰেণীবদ্ধ কৰা হৈছেঃ

*(i) যিকোনো 'ইচ্ছাকৃত' আচৰণ যি মহিলাজনক আত্মহত্যা কৰিবলৈ বাধ্য কৰাৰ সম্ভাৱনা থকা প্ৰকৃতিৰ; বা*

*(ii) যিকোনো 'ইচ্ছাকৃত' আচৰণ যাৰ দ্বাৰা মহিলাগৰাকীক গুৰুতৰ আঘাত কৰাৰ সম্ভাৱনা আছে; বা*

*(iii) যিকোনো 'ইচ্ছাকৃত' কাৰ্য্য যি মহিলাৰ জীৱন, অংগ বা স্বাস্থ্যৰ বাবে বিপদৰ সৃষ্টি কৰিব পাৰে, যি শাৰীৰিক বা মানসিক হওঁক৷*

১৬. **<u>এছ. হনুমন্ত ৰাও</u>** বনাম **<u>এছ. ৰামানী</u>**, এ. আই. আৰ. ১৯৯৯ এছ. চি. ১৩১৮, এই আদালতে হিন্দু বিবাহ আইন, ১৯৫৫-ৰ ধাৰা ১৩-ৰ অধীনত থকা ব্যৱস্থাসমূহৰ সন্দৰ্ভত **নিষ্ঠুৰতাৰ** অৰ্থ বিবেচনা কৰিছিল আৰু মন্তব্য কৰিছিল যে,

> *"মানসিক নিষ্ঠুৰতাৰ অৰ্থ হৈছে, যেতিয়া যিকোনো পক্ষই মানসিক বেদনা, যন্ত্ৰণা বা এনে পৰিমাণৰ কষ্টৰ সৃষ্টি কৰে যে, ই পত্নী আৰু স্বামীৰ মাজৰ বান্ধোন বিচ্ছিন্ন কৰে আৰু ফলস্বৰূপে ভুক্তভোগী পক্ষৰ বাবে আন পক্ষৰ সৈতে বাস কৰাটো অসম্ভৱ হৈ পৰে৷ অন্য অৰ্থত ক'বলৈ গ'লে, ভুল কৰা দলটোৱে আন পক্ষৰ সৈতে থাকিব বুলি আশা কৰা নাযায়৷"*

১৭. **<u>ভি. ভগত</u>** বনাম **<u>শ্ৰীমতী ডি. ভগত</u>**, এ. আই. আৰ. ১৯৯৪ এছ. চি. ৭১০-ত, এই আদালতে হিন্দু বিবাহ আইনৰ ১৩ নং ধাৰাৰ সন্দৰ্ভত নিষ্ঠুৰতাৰ বিষয়টো বিবেচনা কৰোঁতে তলত উল্লেখকৰা ধৰণে মন্তব্য কৰিছিলঃ

> *"১৭. .........মানসিক নিষ্ঠুৰতাই আবেদনকাৰীৰ স্বাস্থ্যৰ ক্ষতি কৰিব পাৰে বুলি প্ৰমাণ কৰাৰ প্ৰয়োজন নাই৷ এনে সিদ্ধান্তত উপনীত হোৱাৰ সময়ত, সামাজিক স্থিতি, দলসমূহৰ শিক্ষাগত অৰ্হতা, তেওঁলোকে যি সমাজত বসবাস কৰে, ইতিমধ্যে পৃথক হৈ থকা পক্ষৰ ক্ষেত্ৰত কেতিয়াও একেলগে বাস কৰাৰ সম্ভাৱনা থকা বা অন্যথা লগতে আন সকলো প্ৰাসংগিক তথ্য আৰু পৰিস্থিতিৰ প্ৰতি গুৰুত্ব দিব লাগিব যিবোৰ সম্পূৰ্ণৰূপে নিৰ্ধাৰণ কৰাটো সম্ভৱ নহয় বা বাঞ্ছনীয়ও নহয়৷ এক ক্ষেত্ৰত যি নিষ্ঠুৰতা, সেইটো আন ক্ষেত্ৰত নিষ্ঠুৰতা নহ'বও পাৰে৷ নিৰ্দিষ্ট গোচৰৰ তথ্য আৰু পৰিস্থিতিৰ*

*প্ৰতি লক্ষ্য ৰাখি প্ৰতিটো গোচৰতে এইটো নিৰ্ধাৰণ কৰিব লগা বিষয়। যদি এইটো অভিযোগ উত্থাপন আৰু দোষাৰোপ কৰণৰ গোচৰ হয়, তেন্তে সেই কাৰ্য্যৰ প্ৰসংগৰ প্ৰতিও গুৰুত্ব দিব লাগিব ................ প্ৰসংগটো আৰু ধাৰাৰ যি অংশত 'নিষ্ঠুৰতা' শব্দটো ব্যৱহাৰ কৰা হৈছে, আমাৰ মতে, সেই intention (অভিপ্ৰায়) নিষ্ঠুৰতাৰ ক্ষেত্ৰত প্ৰয়োজনীয় উপাদান নহয়। বৈবাহিক সম্পৰ্কত সেই শব্দটো সাধাৰণ অৰ্থত বুজিব লাগিব। যদি অভিযোগ কৰা আচৰণ বা নিষ্ঠুৰ কাৰ্য্যৰ প্ৰকৃতিৰ দ্বাৰা ক্ষতি কৰা, হাৰাশাস্তি কৰা বা আঘাত কৰাৰ উদ্দেশ্য অনুমান কৰিব পাৰি, নিষ্ঠুৰতা সহজে প্ৰমাণিত হ'ব পাৰে। কিন্তু অভিপ্ৰায়ৰ অনুপস্থিতিয়ে গোচৰটোত কোনো পাৰ্থক্য আনিব নালাগে, যদি মানৱীয় বিষয়ত সাধাৰণ অৰ্থত অভিযোগ কৰা কাৰ্য্যক অন্যথা নিষ্ঠুৰতা হিচাপে গণ্য কৰিব পাৰি।*

১৮. <u>**মহম্মদ হোছান**</u> বনাম <u>**এ. পি. ৰাজ্য**</u>; (২০০২) ৭ এছ. চি. চি. ৪১৪, এই আদালতে একেধৰণৰ বিষয়ৰ সৈতে বিবেচনা কৰাৰ সময়ত ৰায় দিছিল যে, অভিযুক্তই পত্নীৰ ওপৰত "<u>নিৰৱছিন্নভাৱে</u>" মানসিক বা শাৰীৰিক অত্যাচাৰ কৰাতো বাঞ্চনীয়। আদালতে তদুপৰি তলত উল্লেখ কৰা ধৰণে মন্তব্য কৰিছিলঃ

*"দম্পতিহালৰ এজনৰ আনজনৰ প্ৰতি নিষ্ঠুৰতাৰ বাবে দোষী হৈছে নে নাই সেয়া মূলতঃ এক তথ্যগত প্ৰশ্ন। এজন ব্যক্তিৰ ওপৰত নিষ্ঠুৰতাৰ দৰে গোচৰ, অভিযোগ বা উপহাস প্ৰদান কৰাটো বিভিন্ন কাৰকৰ ওপৰত নিৰ্ভৰ কৰে যেনে- সংশ্লিষ্ট ভুক্তভোগীৰ ব্যক্তিগত সংবেদনশীলতা, সামাজিক পটভূমি, পৰিৱেশ, শিক্ষা ইত্যাদি। তদুপৰি, সংবেদনশীলতাৰ তীব্ৰতা আৰু এনে মানসিক নিষ্ঠুৰতা সহ্য কৰাৰ সাহস বা সহনশীলতাৰ মাত্ৰাৰ ওপৰত নিৰ্ভৰ কৰি মানসিক নিষ্ঠুৰতা ব্যক্তিভেদে পৃথক হয়। অন্য অৰ্থত ক'বলৈ গ'লে, মানসিক নিষ্ঠুৰতা প্ৰতিষ্ঠিত হৈছিল নে, নাই সেয়া নিৰ্ণয় কৰিবলৈ প্ৰতিটো গোচৰৰ নিজৰ তথ্যৰ ওপৰত সিদ্ধান্ত ল'ব লাগিব।"*

১৯. <u>**শ্ৰীমতী ৰাজ ৰাণী**</u> বনাম <u>**ৰাজ্য (দিল্লী প্ৰশাসন)**</u>; এ. আই. আৰ. ২০০০ এছ. চি. ৩৫৫৯, এই আদালতে ৰায় দিছিল যে, IPC-ৰ ধাৰা ৪৯৮ এ-ৰ ব্যৱস্থাৰ সন্দৰ্ভত নিষ্ঠুৰতাৰ গোচৰটো বিবেচনা কৰোঁতে আদালতে

পৰীক্ষা কৰিব লাগিব যে, অভিযোগ/ দোষাৰোপ অতি গুৰুতৰ প্ৰকৃতিৰ হ'ব লাগিব আৰু যুক্তিসংগত সন্দেহৰ বাহিৰত প্ৰমাণিত হ'ব লাগিব।

২০. **সুশীল কুমাৰ শৰ্মা** বনাম **ভাৰত চৰকাৰ**, এ. আই. আৰ. ২০০৫ এছ. চি. ৩১০০-ত এই আদালতে IPC-ৰ ধাৰা ৩০৬ আৰু ৪৯৮এ-ৰ অধীনত প্ৰদান কৰা নিষ্ঠুৰতাৰ পাৰ্থক্য ব্যাখ্যা কৰি কয় যে, স্বামী বা তেওঁৰ সম্পৰ্কীয়ই কৰা ৪৯৮এ ধাৰাৰ নিষ্ঠুৰতাই মহিলাক আত্মহত্যা আদি কৰিবলৈ বাধ্য কৰে, আনহাতে IPC-ৰ ধাৰা ৩৭৬-ৰ অধীনত আত্মহত্যাৰ বাবে প্ৰৰোচিত কৰা লগতে উদ্দেশ্যপূৰ্ণভাৱে কৰা কাৰ্য্য। সেয়েহে, উক্ত বিধানসমূহৰ প্ৰয়োগৰ ক্ষেত্ৰত অভিপ্ৰায়ৰ এটা মৌলিক পাৰ্থক্য আছে।

২১. **গিৰ্ধৰ শংকৰ টাৱাড়ে** বনাম **মহাৰাষ্ট্ৰ ৰাজ্য**, এ. আই. আৰ. ২০০২ এছ. চি. ২০৭৮; এই আদালতে বিচাৰ কৰিছিল যে, "নিষ্ঠুৰতা"ক ধাৰা ৪৯৮ এ, IPC-ত প্ৰদান কৰা এক নিৰ্দিষ্ট বিধিবদ্ধ অৰ্থৰ সৈতে বুজিব লাগিব আৰু ইজনে সিজনৰ দ্বাৰা নিৰৱচিন্ন অত্যাচাৰৰ পৰিস্থিতিৰ গোচৰ থাকিব লাগে।

২২. IPC-ৰ ধাৰা ৪৯৮-এ-ৰ উদ্দেশ্যৰ বাবে "নিষ্ঠুৰতা" IPC-ৰ ধাৰা ৪৯৮-এ-ৰ সন্দৰ্ভত প্ৰতিষ্ঠা কৰিব লাগিব কিয়নো ই অন্যান্য বিধিবদ্ধ ব্যৱস্থাৰ পৰা পৃথক হ'ব পাৰে। পুৰুষজনৰ আচৰণ বিবেচনা কৰি, তেওঁৰ কাৰ্য্যৰ গভীৰতা বা গুৰুত্ব বিবেচনা কৰি আৰু মহিলাগৰাকীক আত্মহত্যা কৰিবলৈ বাধ্য কৰাৰ সম্ভাৱনা আছে নে নাই ইত্যাদি জানিবলৈ নিৰ্ধাৰণ/অনুমান কৰিব লাগিব। এই ভিত্তি প্ৰমাণ কৰিব লাগিব যে, মহিলাগৰাকী নিৰন্তৰ/লেথাৰীনিচিঙাকৈ বা অন্ততঃ অভিযোগ দাখিল কৰাৰ সমসাময়িকভাৱে নিষ্ঠুৰতাৰ বলি হৈছে। IPC-ৰ ধাৰা ৪৯৮-এ-ৰ ব্যৱস্থাসমূহক আকৰ্ষিত কৰিবলৈ সৰু সৰু বিবাদক 'নিষ্ঠুৰতা' বুলি

অভিহিত কৰিব নোৱাৰি। মানসিক নিৰ্যাতন অসহনীয় হৈ পৰাকে নিষ্ঠুৰতা বুলি অভিহিত কৰিব পাৰি।

২৩. তাৎক্ষণিক গোচৰটো ওপৰত উল্লেখ কৰা নিষ্পত্তি হোৱা আইনী ব্যৱস্থাসমূহ বিবেচনা কৰি পৰীক্ষা কৰাৰ প্ৰয়োজন আছিল। নিঃসন্দেহে, পত্নীয়ে ১৯৯৩চনলৈকে শাৰীৰিক আৰু মানসিক নিৰ্যাতনৰ অভিযোগ উত্থাপন কৰিছিল যেতিয়া, তেওঁ স্বামীৰ ঘৰ এৰি পিতৃৰ সৈতে থাকিবলৈ আৰম্ভ কৰিছিল। স্বামীৰ ঘৰ এৰি যোৱাৰ চাৰি বছৰৰ পিছত অৰ্থাৎ ২৩-০৫-১৯৯৭ত FIR দাখিল কৰি নিষ্ঠুৰতাৰ অভিযোগ দাখিল কৰে। তদুপৰি, আপীলকাৰীৰ ফালৰ পৰা মানসিক বা শাৰীৰিক অত্যাচাৰ অব্যাহত নাছিল কিয়নো, ১৯৯৩চনৰ পৰা ১৯৯৭চনৰ ভিতৰত তেওঁৰ বিৰুদ্ধে কোনো অভিযোগ নাই অৰ্থাৎ পত্নীয়ে স্বামীৰ ঘৰ এৰি যায় আৰু স্বামীয়ে দ্বিতীয় বিবাহ সম্পন্ন কৰিছিল।

২৪. অভিযোগকাৰী শ্ৰীমতী মিনতি দাস (কলিতা)- বাদী নং ৩-এ সাক্ষ্য দিয়ে যে, তেওঁৰ ওপৰত শাৰীৰিক আৰু মানসিক নিৰ্যাতন চলোৱা হৈছিল কিন্তু, ১৯৯৩চনত শিশুটিৰ জন্মৰ পিছত তেওঁক শাৰীৰিক বা মানসিক নিৰ্যাতন চলোৱাৰ কোনো অভিযোগ নাছিল। একেদৰে, অভিযোগকাৰীৰ পিতৃ- শ্ৰী লাখী কান্ত দাস (বাদী নং ১)-এ ১৯৯৩চনৰ পিছত কোনো শাৰীৰিক বা মানসিক নিৰ্যাতনৰ ঘটনাৰ কথা উল্লেখ কৰা নাই। এই সন্দৰ্ভত পৰীক্ষা কৰা কোনো সাক্ষীয়ে ১৯৯৩চনৰ পিছত স্বামী-পত্নীৰ মাজত অহৰহ শাৰীৰিক বা মানসিক নিৰ্যাতন আৰু কোনো অপ্ৰীতিকৰ ঘটনা সংঘটিত হোৱা বুলি সাক্ষ্য প্ৰদান কৰা নাছিল।

২৫. বিচাৰ আদালতে আবেদনসমূহ বিবেচনা কৰাৰ পিছত এই সিদ্ধান্তত উপনীত হৈছিল যে, আপীলকাৰী অভিযোগকাৰীৰ স্বামী হোৱাৰ

বাবে তেওঁক মানসিক আৰু শাৰীৰিকভাৱে নিষ্ঠুৰতাৰ বলি কৰিছিল। কিন্তু ইয়াৰ উপৰিও তলত উল্লেখিত ধৰণে-

*"কোনো সন্দেহ নাই যে, অভিযুক্তজনে বাদী নং ৩-ক আত্মহত্যা কৰিবলৈ বাধ্য কৰা বা তেওঁৰ অবৈধ দাবী পূৰণ কৰাৰ উদ্দেশ্যে হাৰাশাস্তি কৰিছিল বুলি দেখুৱাবলৈ নথিত কোনো প্ৰমাণ নাই। অভিযুক্তগৰাকীৰ শাৰীৰিক আৰু মানসিক নিৰন্তৰ উৎপীড়নৰ ফলত মহিলাগৰাকীৰ জীৱন দুৰ্বিষহ হৈ পৰিছিল ফলস্বৰূপ স্বামীৰ পৰা পৃথক হৈ থাকিবলৈ বাধ্য হৈছিল। " (গুৰুত্বপ্ৰদান কৰা হৈছে)*

২৬. আপীল আদালতে বিষয়টো তলত দিয়া ধৰণে পৰ্য্যালোচনা কৰিছিলঃ

*"তেওঁৰ নিৰ্দিষ্ট সাক্ষ্য এইয়ে যে, বিবাহৰ পিছত তেওঁৰ স্বামীৰ দ্বাৰা শাৰীৰিক আৰু মানসিক নিষ্ঠুৰতাৰ সন্মুখীন হৈছিল আৰু যি ওপৰত আলোচনা কৰা সাক্ষীসকলৰ সাক্ষ্যৰ দ্বাৰা ভালদৰে সমৰ্থিত হৈছে। মহিলাগৰাকীৰ মানসিক অত্যাচাৰ এনেদৰে বৃদ্ধি পাইছিল যে, তাই গৰ্ভত থকা সন্তানৰ সৈতে স্বামীৰ ঘৰ এৰি যাবলৈ বাধ্য হৈছিল আৰু নথিত থকা প্ৰমাণত এই বিষয়ত ভালদৰে সাক্ষ্য দিয়া হৈছে।" (গুৰুত্ব আৰোপ কৰা হৈছে)*

২৭. উচ্চ ন্যায়ালয়ে বিষয়টো বিবেচনা কৰি এই সিদ্ধান্তত উপনীত হৈছিলঃ

*"IPC-ৰ ৪৯৮ এ ধাৰাৰ অধীনত অপৰাধটো কেৱল তিনি বছৰলৈকে কাৰাদণ্ডৰে দণ্ডনীয় আৰু সেয়েহে ৪৬৮ ধাৰা, IPC-ৰ অধীনত বিচাৰ প্ৰক্ৰিয়া নিষিদ্ধ কৰা হৈছে। উচ্চতম ন্যায়ালয়ৰ সিদ্ধান্তসমূহৰ ধাৰণাৰ প্ৰতি লক্ষ্য ৰাখি, আইনখনে ভালদৰে নিষ্পত্তি কৰিছে যে, পত্নীৰ প্ৰতি নিষ্ঠুৰতাৰ অপৰাধ এক নিৰৱচিন্ন অপৰাধ। সেয়েহে ১৯৯৩চনৰ পৰা পত্নীয়ে স্বামীৰ সৈতে বাস নকৰা কথাটো অপৰিহাৰ্য আৰু পক্ষবোৰ পৃথকভাৱে বাস কৰাৰ পাছতো মানসিক লগতে অন্যান্য নিষ্ঠুৰতা সংঘটিত হ'ব পাৰে।"*

উচ্চ ন্যায়ালয়ে লগতে কয় যে, পূৰ্বৰ বিবাহ বৰ্তি থকাৰ কালতেই আপীলকাৰীয়ে দ্বিতীয় বিবাহত সোমাইছিল আৰু আন এগৰাকী মহিলাৰ সৈতে বাস কৰিবলৈ আৰম্ভ কৰিছিল, যি একপ্ৰকাৰৰ নিষ্ঠুৰতা আছিল আৰু সেয়েহে তেওঁ ধাৰা ৪৯৮ এ-ৰ অধীনত শাস্তিৰ বাবে যোগ্য আছিল।

২৮. ওপৰোক্ত আলোচনাৰ পৰা এইকথা স্পষ্ট যে, বিচাৰ আদালতে নিজেই এই মতপোষণ কৰিছিল যে, অভিযোগকাৰীক আত্মহত্যা কৰিবলৈ

বাধ্য কৰাৰ লক্ষ্যৰে আপীলকাৰীৰ ফালৰ পৰা নিষ্ঠুৰতাৰ কোনো প্ৰমাণ নাছিল। আপীল ফ'ৰামে এই সিদ্ধান্তত উপনীত হৈছিল যে, অভিযোগকাৰীয়ে গৰ্ভধাৰণৰ সময়ত তেওঁৰ স্বামীৰ ঘৰ এৰি যাবলৈ বাধ্য হোৱাৰ দৰে মানসিক অত্যাচাৰ আছিল। পুনৰীক্ষণ আদালতে বিচাৰি পোৱা নাছিল যে, অভিযোগকাৰীজন অহৰহ নিষ্ঠুৰতাৰ সন্মুখীন হৈছিল।

২৯. সেয়েহে, আমাৰ দৃষ্টিত নিম্ন তিনিওখন আদালতে গোচৰটো সঠিক দৃষ্টিকোণত বিবেচনা নকৰাত ভুল কৰিছিল। নিম্ন আদালতসমূহে এনেদৰে লিপিবদ্ধ কৰা তথ্যসমূহ পাৰিবাৰিক বিবাদ অৰ্থাৎ বিবাহ বিচ্ছেদ আদিত ৰেহাই প্ৰদানৰ বাবে প্ৰাসংগিক হ'ব পাৰে। কিন্তু, IPC-ৰ ধাৰা ৪৯৮ এ-ৰ অধীনত অভিযোগ উত্থাপন কৰিব নোৱাৰে।

৩০. ওপৰোক্ত মতৰ প্ৰতি লক্ষ্য ৰাখি, IPC-ৰ ধাৰা ৪৯৮-এ-ৰ অধীনত আবেদনকাৰীক দোষী সাব্যস্ত কৰা আৰু নিম্ন আদালতসমূহে প্ৰদান কৰা উক্ত অপৰাধৰ শাস্তি বাতিল কৰা হৈছে। অৱশ্যে, IPC-ৰ ৪৯৪ ধাৰাৰ অধীনত দোষী সাব্যস্তকৰণ আৰু শাস্তি বাহাল ৰখা হৈছে।

৩১. এই পৰ্য্যায়লৈকে আপীলটো সফল আৰু তদানুসৰি নিষ্পত্তি কৰা হৈছে।

ন্যায়াধীশ ................

(ড. মুকুন্দকাম শৰ্মা)

ন্যায়াধীশ ................

(ড. বি. এছ. চৌহান)

নতুন দিল্লী;

২৯ মে', ২০০৯

-----------------------------------------------

অনুবাদ: ড. অৰ্চ্চনা দেৱী, কনিষ্ঠবৰ্গ অনুবাদক

অনুবাদ শাখা, গৌহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation.

"স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বুলি বিবেচিত হ'ব।"